
# পাঠ ঃ ২২
# গণতন্ত্ৰ, নাগৰিক আৰু নাগৰিকত্ব

**মূল অৰ্হতা ঃ**

- গণতন্ত্ৰৰ অৰ্থ বুজি পোৱা।
- নাগৰিক মানে কি তাক জনা।
- বিদেশী মানে কি তাৰ আভাস পোৱা।
- নাগৰিক আৰু বিদেশীৰ মাজৰ পাৰ্থক্য বুজি পোৱা।
- নাগৰিকত্ব কিদৰে লাভ কৰিব পাৰি আৰু নাগৰিকত্বৰ পৰা কেনেদৰে বঞ্চিত হয় সেই বিষয়ে জনা।

তোমালোকে 'গণতন্ত্ৰ' শব্দটো আগৰ শ্ৰেণীত পাই আহিছা। গণ শব্দটোৰ অৰ্থ হ'ল 'জনসাধাৰণ' আৰু তন্ত্ৰৰ অৰ্থ হ'ল 'শাসন'। অৰ্থাৎ গণতন্ত্ৰ বুলিলে আমি জনগণৰ শাসনক বুজো। যিখন দেশৰ শাসন ব্যৱস্থা জনসাধাৰণৰ হাতত ন্যস্ত থাকে সেইখনেই গণতান্ত্ৰিক দেশ।



গণতন্ত্ৰৰ কেইটিমান উল্লেখযোগ্য বৈশিষ্ট্য আছে। সেই বৈশিষ্ট্য সমূহ হ'ল—

- গণতন্ত্ৰৰ দৃষ্টিত সকলো মানুহ সমান। সেয়েহে এই ব্যৱস্থাই জাতি, বৰ্ণ, ধৰ্ম, ভাষা, লিংগ নিৰ্বিশেষে সকলোকে সাঙুৰি লয়।
- এই শাসন ব্যৱস্থাত জনসাধাৰণে পোনপটীয়াকৈ বা পৰোক্ষভাৱে অংশগ্ৰহণ কৰে।

- নিৰ্বাচন গণতন্ত্ৰৰ এক অপৰিহাৰ্য অংগ।
- নিৰ্বাচনত উচ্চ-নীচ, ধনী-দুখীয়া নিৰ্বিশেষে সকলোৱে একোটাকৈ ভোটদানৰ অধিকাৰ পায়। অৰ্থাৎ ভোটদানৰ অধিকাৰৰ মাজেৰে এই ব্যৱস্থাই সকলো শ্ৰেণীৰ লোকৰ মাজত সমতা স্থাপন কৰে।
- এই ব্যৱস্থাত নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে নিৰ্বাচন অনুষ্ঠিত হয় য'ত প্ৰাপ্তবয়স্কসকলে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে।
- গণতান্ত্ৰিক ব্যৱস্থাত দুই বা তাতোধিক ৰাজনৈতিক দল থাকে।
- জনসাধাৰণৰ মতৰ ওপৰত গণতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠিত। চৰকাৰৰ নীতিসমূহ জনমতৰ বিৰুদ্ধে গ'লে জনসাধাৰণে সাংবিধানিক আৰু শান্তিপূৰ্ণ উপায়েৰে চৰকাৰ পৰিৱৰ্তন কৰিব পাৰে।
- বিৰোধী দলে গণতন্ত্ৰত বিশেষ ভূমিকা পালন কৰে।
- গণতন্ত্ৰ এক জনকল্যাণমুখী ব্যৱস্থা।

'গণতন্ত্ৰ' এনে এক ব্যৱস্থা য'ত সমাজত বাস কৰা প্ৰতিজন লোকৰে অংশগ্ৰহণ কৰাৰ সুবিধা আছে। এই ব্যৱস্থাই মূলতঃ ৰাষ্ট্ৰৰ জনসাধাৰণৰ কল্যাণৰ পোষকতা কৰে।

গণতন্ত্ৰ কেৱল ৰাজনৈতিক ব্যৱস্থাই নহয় সমাজৰ লোকসকলক শিক্ষিত কৰি এই ব্যৱস্থাই এক সবল আৰু নিকা সমাজ গঠনত সহায় কৰে। এই ব্যৱস্থাত জনসাধাৰণে পূৰ্ণ সহযোগিতা কৰাৰ সুবিধা পায় বাবে তেওঁলোকে ইয়াৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আৰু আস্থা ৰাখে। সেয়েহে বৰ্তমান গণতন্ত্ৰ শব্দটো সমগ্ৰ বিশ্ববাসীৰ মনত অতি জনপ্ৰিয় হৈছে। ভাৰতবৰ্ষৰ দৰে ছুইজাৰলেণ্ড, ইংলেণ্ড আদি ৰাষ্ট্ৰত গণতন্ত্ৰই বিশেষ কৃতকাৰ্যতা লাভ কৰিছে। বৰ্তমান পৃথিৱীৰ বহুতো ৰাষ্ট্ৰই গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিবৰ বাবে অবিৰত সংগ্ৰাম চলাই আছে।

### গণতন্ত্ৰৰ প্ৰকাৰ ঃ

গণতন্ত্ৰৰ প্ৰকাৰ বুলিলে সাধাৰণতে দুই ধৰণৰ ব্যৱস্থাক বুজায়। যেনে—

(ক) প্ৰত্যক্ষ গণতন্ত্ৰ

(খ) পৰোক্ষ গণতন্ত্ৰ।

### প্ৰত্যক্ষ গণতন্ত্ৰ ঃ

যি গণতন্ত্ৰত জনসাধাৰণে চৰকাৰৰ শাসন ব্যৱস্থাত পোনপটীয়াকৈ অংশগ্ৰহণ কৰে তেনে ব্যৱস্থাক প্ৰত্যক্ষ গণতন্ত্ৰ বোলে। প্ৰাচীন গ্ৰীচৰ নগৰৰাষ্ট্ৰসমূহত প্ৰত্যক্ষ গণতন্ত্ৰৰ প্ৰচলন আছিল। আধুনিক ৰাষ্ট্ৰবোৰত প্ৰতিনিধিত্বমূলক গণতন্ত্ৰৰহে প্ৰচলন আছে। ছুইজাৰলেণ্ডৰ কোনো কোনো কেণ্টনত এতিয়াও প্ৰত্যক্ষ গণতন্ত্ৰৰ প্ৰচলন আছে।

### পৰোক্ষ গণতন্ত্ৰ ঃ

যি গণতন্ত্ৰত জনসাধাৰণে প্ৰত্যক্ষভাৱে চৰকাৰ পৰিচালনা নকৰি তেওঁলোকে সময়ে সময়ে নিৰ্বাচন কৰি দিয়া প্ৰতিনিধিসকলৰ দ্বাৰা চৰকাৰ পৰিচালনা কৰা হয় তাকে পৰোক্ষ গণতন্ত্ৰ বোলে। ভাৰতবৰ্ষ, ইংলেণ্ড, মাৰ্কিন যুক্তৰাষ্ট্ৰ, ৰাছিয়া আদি দেশত পৰোক্ষ গণতন্ত্ৰৰ প্ৰচলন আছে।

**চমু উত্তৰ দিয়া ঃ**

- গণতন্ত্ৰৰ দুটা উল্লেখযোগ্য দিশ কোৱা।
- প্ৰত্যেক্ষ গণতন্ত্ৰত জনসাধাৰণে কেনেদৰে অংশগ্ৰহণ কৰে?
- পৰোক্ষ গণতন্ত্ৰ মানে কি?

## নাগৰিক আৰু নাগৰিকত্ব ঃ

অতীজৰ পৰা মানুহে ভিন ভিন পৰিৱেশত বসবাস কৰি আহিছে। আদিম মানুহে বসবাস কৰিবলৈ পৰ্বতৰ গুহা, গছৰ খোৰোং আদিক আশ্ৰয় হিচাপে লৈছিল। কৃষিকাৰ্য আৰম্ভণিৰ লগে লগে মানুহে সমাজ পাতি স্থায়ীভাৱে থাকিবলৈ ল'লে। সমাজত শান্তি-শৃঙ্খলা ৰক্ষাৰ বাবে তেওঁলোকে কিছুমান ৰীতি-নীতিও প্ৰস্তুত কৰি ল'লে। সভ্যতাৰ ক্ৰমবিকাশৰ ফলস্বৰূপে গাঁও, চহৰ, নগৰ আদিৰ সৃষ্টি হৈ এখন উন্নত সমাজ গঠন হ'ল। সময়ৰ বিৱৰ্তনৰ লগে লগে সমাজৰ বুকুত ৰাষ্ট্ৰৰ জন্ম হ'ল। কালক্ৰমত ৰাষ্ট্ৰৰ অন্তৰ্গত সকলো লোককেই নাগৰিক আখ্যা দিয়া হ'ল।

আমি সকলোৱে এনেধৰণৰ একো একোখন ৰাষ্ট্ৰৰ সদস্য বা নাগৰিক। এই নাগৰিক শব্দটোৱে প্ৰকৃততে কি বুজায় তলৰ কথোপকথনখিনিৰ পৰা ভালদৰে জানি লওঁ আহা—

গৰমৰ বন্ধত দিল্লী বিশ্ববিদ্যালয়ত পঢ়ি থকা পিংকীৰ ককায়েক পংকজ ঘৰলৈ আহিছে। সন্ধিয়া দুয়োজনে টিভিত আঞ্চলিক বাতৰি চাই থকাৰ মাজত দৃশ্যমান হ'ল এক বিশাল সমদল। সমদলত মানুহবোৰে বেনাৰ, ফেষ্টুন, প্লে-কাৰ্ড আদি লৈ চিঞৰি চিঞৰি শ্লোগান দিছে—

'নাগৰিকক সুৰক্ষা দিয়ক', 'নাগৰিকৰ গণতান্ত্ৰিক অধিকাৰ অক্ষুণ্ণ ৰাখক' আদি। শ্লোগানবোৰে পিংকিৰ মনত কৌতুহলৰ সৃষ্টি কৰিলে। ককায়েকলৈ চাই তাই প্ৰশ্ন কৰাত লাগিল—

**পিংকী ঃ** দাদা এই মানুহবোৰে যে শ্লোগান দিছে 'নাগৰিকক সুৰক্ষা দিয়ক' 'নাগৰিকক সুবিধা দিয়ক' আদি বুলি; প্ৰকৃততে নাগৰিক মানে কি ভালদৰে বুজাই কোৱাচোন!

**পংকজ ঃ** দুৰ অতীতত সভ্যতাৰ প্ৰাণকেন্দ্ৰস্বৰূপ নগৰসমূহত বাস কৰা লোকসকলকে নাগৰিক বুলি আখ্যা দিয়া হৈছিল। কিন্তু সময়ৰ লগে লগে সেই ধাৰণা সলনি হ'ল। বৰ্তমান এখন ৰাষ্ট্ৰৰ ভু-খণ্ডত স্থায়ীভাৱে বসবাস কৰা সকলো লোকক সেইখন দেশৰ নাগৰিক হিচাপে গণ্য কৰা হয়। নাগৰিকে ৰাষ্ট্ৰই প্ৰদান কৰা সকলো অধিকাৰ ভোগ কৰিব পাৰে।

**জানি থওঁ আহা ঃ**

- পৌৰ অধিকাৰ সমূহ হ'ল- জীৱনৰক্ষাৰ অধিকাৰ, মতামত প্ৰকাশৰ অধিকাৰ, ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ আদি।
- ৰাজনৈতিক অধিকাৰ সমূহ হ'ল- ভোটদানৰ অধিকাৰ, নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ অধিকাৰ।

**পিংকী ঃ** দাদা, আমি যে বিদেশী বুলি কওঁ তাৰ মানে কি?

**পংকজ ঃ** শুনা। যেতিয়া কোনো এখন দেশৰ নাগৰিকে অন্য এখন দেশলৈ গৈ দীৰ্ঘদিন ধৰি তাত থাকে তেতিয়া তেনেলোকক বিদেশী বুলি কোৱা হয়। এসময়ত আমাৰ অসমৰ চাহ বাগিচাবোৰ ইংলেণ্ডৰ মানুহে পৰিচালনা কৰিছিল। সেই সময়ত তেওঁলোকে নিজ পৰিয়াল লৈ বছৰ বছৰ ধৰি বাগিচাৰ বঙলাত বসবাস কৰিছিল।

**পিংকী ঃ** তেনেহ'লে আমাৰ ককাহঁতৰ ঘৰৰ ওচৰৰ নীল বাগানখনো ইংলেণ্ডৰ মানুহে পৰিচালনা কৰিছিল নেকি?



**পংকজ ঃ** অ' কৰিছিল। তেনেকুৱা এটা পৰিয়ালৰ লগত আমাৰ ককাইঁতৰ বেছ ভাল সম্পৰ্ক আছিল। বিদেশী চাহাবজনৰ নাম আছিল জৰ্জ এণ্ডাৰছন। এণ্ডাৰছনৰ পত্নী এঞ্জেলিনা। তেওঁলোকৰ এহাল ল'ৰা-ছোৱালী আছিল মেৰী আৰু বিকী। আজি কেইবাবছৰো হ'ল তেওঁলোক অসমৰ পৰা গুচি গ'ল।

**পিংকী ঃ** তাৰমানে তুমিও তেওঁলোকক ভালদৰে জানিছিলা। দাদা, বিদেশী আৰু নাগৰিকৰ মাজত কিবা পাৰ্থক্য আছে নেকি?

**পংকজ ঃ** আছে। এখন দেশৰ নাগৰিকে সেই দেশৰ পৌৰ আৰু ৰাজনৈতিক অধিকাৰ দুয়োটাই ভোগ কৰিব পাৰে। নাগৰিকে সদায় দেশৰ প্ৰতি শ্ৰদ্ধা আৰু আনুগত্য দেখুৱাবলৈ বাধ্য। আনহাতে বিদেশীলোকে অকল পৌৰ অধিকাৰহে ভোগ কৰিব পাৰে ৰাজনৈতিক অধিকাৰ নাপায়। তেওঁলোকে নিজৰ দেশৰ বাহিৰে আন দেশৰ প্ৰতি শ্ৰদ্ধা আৰু আনুগত্য দেখুৱাবলৈ বাধ্য নহয়।

**পিংকী ঃ** জৰ্জ চাহাবহঁত যে ইমান বছৰ অসমত আছিল তেওঁলোক ভাৰতৰ নাগৰিক হ'ব নোৱাৰিলেহেঁতেননে?

**পংকজ ঃ** ইচ্ছা কৰিলে পাৰিলেহেঁতেন। নাগৰিকত্ব লাভৰ বাবে কেইটামান উপায় আছে। জৰ্জ চাহাব আৰু তেওঁৰ পত্নীয়ে আমাৰ দেশৰ নাগৰিক হ'ব বিচাৰিলে তেওঁলোকে নাম পঞ্জীয়ন কৰি নাগৰিকত্ব ল'ব পাৰিলেহেঁতেন।

**পিংকী ঃ** কিন্তু মেৰী, বিকী কোন দেশৰ নাগৰিক হ'লহেঁতেন?

**পংকজ ঃ** মেৰী আৰু বিকীৰ পিতৃ-মাতৃ ইংলেণ্ডৰ। সেয়েহে বংশানুক্ৰমিকভাৱে তেওঁলোক ইংলেণ্ডৰ নাগৰিক। কিন্তু পিতৃ-মাতৃ ইংলেণ্ডৰ হ'লেও মেৰী আৰু বিকীৰ জন্ম যিহেতু অসমত সেয়েহে জন্মসূত্ৰে তেওঁলোক আমাৰ দেশৰ নাগৰিক।

> **জানি থওঁ আহা ঃ**
>
> **ভাৰতবৰ্ষৰ নাগৰিকত্ব লাভ কৰাৰ উপায় ঃ**
>
> - পঞ্জীয়নৰ দ্বাৰা।
> - দেশীয়কৰণৰ দ্বাৰা।
> - জন্মসূত্ৰে।
> - বংশানুক্ৰমে।
> - ৰাজ্যক্ষেত্ৰ চামিলকৰণৰ দ্বাৰা।

**পিংকী ঃ** আমাৰ দেশৰ নাগৰিকত্ব লাভ কৰাৰ আৰু কিবা উপায় আছে নেকি দাদা?

**পংকজ ঃ** নিশ্চয় আছে। যদি কোনো বিদেশীলোকে নিজৰ দেশৰ নাগৰিকত্ব ত্যাগ কৰি ভাৰতৰ প্ৰতি শ্ৰদ্ধা আৰু আনুগত্য দেখুৱাই ইয়াত নিগাজীকৈ থাকিবলৈ ইচ্ছা কৰে তেতিয়াহ'লে দেশীয়কৰণ পদ্ধতিৰে তেওঁ আমাৰ দেশৰ নাগৰিক হ'ব পাৰিব। অৱশ্যে তেওঁৰ নাগৰিকত্ব লাভৰ বিষয়টো চৰকাৰৰ বিচাৰ-বিবেচনাৰ ওপৰত নিৰ্ভৰ কৰিব।

**পিংকী ঃ** তাৰমানে মেৰী-বিকীহঁতেও ইচ্ছা কৰিলে আমাৰ দেশতে থাকি ইয়াৰ নাগৰিক হ'ব পাৰিলেহেঁতেন?

**পংকজ ঃ** অ, পাৰিলেহেঁতেন। তুমি সুধিছাই যেতিয়া আৰু এটা কথা জানি থোৱা। কোনো অঞ্চল যদি ভাৰতীয় ৰাজ্যক্ষেত্ৰৰ লগত চামিল হয় তেতিয়া সেই অঞ্চলত বাস কৰা লোকসকলে ভাৰতীয় নাগৰিকত্ব লাভ কৰে। চিকিম এসময়ত ভাৰতৰ অংশ নাছিল। কিন্তু ১৯৭৫ চিকিম ভাৰতত চামিল হোৱাৰ লগে লগে সেইদেশৰ নাগৰিকসকলে ভাৰতৰ নাগৰিক হিচাপে স্বীকৃতি লাভ কৰিলে। ঠিক তেনেদৰে গোৱা, দমন-দিউৰ লোকসকলেও আমাৰ দেশৰ নাগৰিকত্ব লাভ কৰিছে।

**পিংকী ঃ** দাদা, আমাৰ দেশৰ নাগৰিক এজনে তেওঁৰ নাগৰিকত্ব হেৰুৱাব পাৰে নেকি?

**পংকজ ঃ** অ, পাৰে। ধৰি লোৱা যদি কোনো ব্যক্তি সৈন্যবাহিনীৰ পৰা পলাই যায়, কোনোৱে যদি দেশ বিৰোধী কাম কৰে তেনেহ'লে তেওঁ ভাৰতীয় নাগৰিকত্বৰ পৰা বঞ্চিত হ'ব।

**পিংকী ঃ** তাৰ বাহিৰেও নাগৰিকত্ব হেৰুওৱাৰ অন্য কিবা কাৰণ আছে নেকি?

**পংকজ ঃ** আছে। যদি এখন দেশৰ নাগৰিকে নিজ ৰাষ্ট্ৰৰ অনুমতি নোলোৱাকৈ অন্য দেশৰ পৰা কোনো উপাধি গ্ৰহণ কৰে তেতিয়াহ'লে তেওঁৰ নাগৰিকত্ব বিলোপ হ'ব। ঠিক সেইদৰে ভাৰতীয় ছোৱালী এজনীয়ে যদি অন্য দেশৰ নাগৰিকক বিয়া কৰাই সেই দেশৰ নাগৰিকত্ব লাভ কৰে তেতিয়াহ'লে তেওঁ ভাৰতৰ নাগৰিকত্ব হেৰুৱাব। তাৰ বাহিৰেও যদি তুমি বা মই বহু বছৰ ধৰি একেৰাহে নিজৰ দেশৰ পৰা আঁতৰি থাকো তেতিয়াও আমাৰ এই দেশৰ নাগৰিকত্ব বিলোপ হ'ব পাৰে।

**চমু উত্তৰ দিয়া ঃ**

- নাগৰিক বুলিলে কি বুজা?
- জৰ্জ চাহাব নাগৰিক নে বিদেশী আছিল?
- পৌৰ অধিকাৰ আৰু ৰাজনৈতিক অধিকাৰ কোনে ভোগ কৰিব পাৰে?
- মেৰী আৰু বিকীয়ে কি সূত্ৰে ভাৰতৰ নাগৰিকত্ব লাভ কৰিব পাৰিলেহেঁতেন?
- কি কি কাৰণত এজন ভাৰতীয় নাগৰিক তেওঁৰ নাগৰিকত্বৰ পৰা বঞ্চিত হ'ব পাৰে?

পিংকী আৰু পংকজৰ কথোপকথনৰ দ্বাৰা তোমালোকে জানিব পাৰিলা যে- জৰ্জ চাহাব, মেৰী, বিকীহঁতৰ দৰে ইংলেণ্ডৰ নাগৰিকে ইচ্ছা কৰিলে আমাৰ দেশৰ নাগৰিকত্ব লাভ কৰিব পাৰে। আনহাতে কি কি কাৰণত আমাৰ দেশৰ এজন নাগৰিকে তেওঁৰ নাগৰিকত্ব হেৰুৱাব লগীয়া হয় এই কথাও জানিব পাৰিলা।

**ক্ৰিয়াকলাপ ঃ**

- আমাৰ দেশৰ নাগৰিকত্ব লাভ আৰু নাগৰিকত্ব হেৰুওৱাৰ কাৰণসমূহ তালিকাভূক্ত কৰা।

এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ নাগৰিকসকল পৰোক্ষভাৱেই হওক বা প্ৰত্যক্ষভাৱেই হওক ৰাষ্ট্ৰৰ শাসন ব্যৱস্থাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। গণতান্ত্ৰিক ব্যৱস্থাত ৰাষ্ট্ৰৰ নাগৰিকসকলে পৌৰ আৰু ৰাজনৈতিক অধিকাৰসমূহ ভোগ কৰিব পাৰে। এইখিনিতে এটা কথা মনত ৰাখিবা যে নাগৰিকসকলে অকল ৰাষ্ট্ৰই দিয়া অধিকাৰ ভোগ কৰিলেই নহ'ব। দেশৰ প্ৰতি শ্ৰদ্ধা আৰু আনুগত্য স্বীকাৰ কৰি তেওঁলোকে ৰাষ্ট্ৰৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্যসমূহো নিষ্ঠাৰে পালন কৰিব লাগিব। তেতিয়াহে এক সুস্থ-সবল গণতান্ত্ৰিক ব্যৱস্থা বৰ্তি থাকিব।

**মনত ৰাখিবলগীয়া কথা ঃ**

- গণতন্ত্ৰ দুই প্ৰকাৰৰ— প্ৰত্যক্ষ গণতন্ত্ৰ আৰু পৰোক্ষ গণতন্ত্ৰ।
- যি ব্যক্তিয়ে এখন দেশত স্থায়ীভাৱে বসবাস কৰি সেই দেশৰ সকলো অধিকাৰ ভোগ কৰে তেনে ব্যক্তিক নাগৰিক বোলে।

- যেতিয়া কোনো ব্যক্তিয়ে আন কোনো ৰাষ্ট্ৰত থাকি সেই ৰাষ্ট্ৰৰ পৌৰ অধিকাৰ ভোগ কৰে তেনে লোকক বিদেশী বোলে। বিদেশী লোকে নিজৰ দেশৰ বাহিৰে অন্য দেশৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিবলৈ বাধ্য নহয়।
- ভাৰতীয় নাগৰিকত্ব লাভৰ উপায়—
  - পঞ্জীয়নৰ দ্বাৰা
  - দেশীয়কৰণৰ দ্বাৰা
  - জন্মসূত্ৰে
  - বংশানুক্ৰমে
  - ৰাজ্যক্ষেত্ৰ চামিলকৰণৰ দ্বাৰা
- নাগৰিকত্বৰ পৰা বঞ্চিত হ'ব পৰা কাৰণ সমূহ—
  - সৈন্যবাহিনীৰ পৰা পলায়ন কৰিলে।
  - ৰাষ্ট্ৰবিৰোধী কাম কৰিলে।
  - অনুমতি নোলোৱাকৈ অন্য ৰাষ্ট্ৰৰ উপাধি ল'লে।
  - ভাৰতীয় ছোৱালীয়ে অন্য দেশৰ নাগৰিকক বিয়া কৰাই সেই দেশৰ নাগৰিকত্ব লাভ কৰিলে।
  - বহুত দিন একেৰাহে নিজৰ দেশত অনুপস্থিত থাকিলে।

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা—

(ক) গণতন্ত্ৰৰ অৰ্থ কি?

(খ) গণতন্ত্ৰৰ কেই প্ৰকাৰৰ?

(গ) নাগৰিক শব্দৰ অৰ্থ কি?

(ঘ) বিদেশী মানে কি?

২। উত্তৰ লিখা—

(ক) গণতন্ত্ৰৰ উল্লেখযোগ্য বৈশিষ্ট্যসমূহ কি কি?

(খ) প্ৰত্যেক্ষ গণতন্ত্ৰ আৰু পৰোক্ষ গণতন্ত্ৰ কাক বোলে?

(গ) এজন বিদেশীয়ে ভাৰতবৰ্ষৰ নাগৰিকত্ব কেনেদৰে লাভ কৰিব পাৰে?

(ঘ) পৌৰ অধিকাৰসমূহ কি কি?

(ঙ) এজন নাগৰিক কেনেকৈ নাগৰিকত্বৰ পৰা বঞ্চিত হ'ব পাৰে।

৩। খালী ঠাই পূৰ কৰা—

(ক) ভাৰতীয় গণতন্ত্ৰত প্ৰত্যেক নাগৰিকৰ ________ ভোট দিয়াৰ আছে।

(খ) ________ৰ ওপৰত গণতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠিত।

(গ) বিদেশীসকলে ________ অধিকাৰ ভোগ কৰিব নোৱাৰে।

(ঘ) এজন ব্যক্তিয়ে ________ বছৰ বয়সত ভোটাধিকাৰ লাভ কৰে।

(ঙ) চিকিমৰ জনসাধাৰণে ________ৰ জৰিয়তে ভাৰতীয় নাগৰিকত্ব লাভ কৰিছে।

৪। শুদ্ধ উত্তৰটো বাছি উলিওৱা—

(ক) এজন বিদেশীয়ে পৌৰ অধিকাৰ/ৰাজনৈতিক অধিকাৰ লাভ কৰে।

(খ) এজন নাগৰিকে দেশৰ হকে কাম কৰিলে/ৰাষ্ট্ৰ বিৰোধী কাম কৰিলে নাগৰিকত্ব বিলোপ হ'ব পাৰে।

(গ) গণতান্ত্ৰিক চৰকাৰ হ'ল প্ৰতিনিধি মূলক চৰকাৰ/স্বেচ্ছাচাৰী চৰকাৰ।

(ঘ) দেশৰ নাগৰিকে নিজৰ দেশৰ প্ৰতি আনুগত্য প্ৰকাশ নকৰে/আনুগত্য প্ৰকাশ কৰে।

৫। প্ৰকল্প ঃ

তোমালোকৰ পৰিয়ালৰ কোনো লোকৰ নাম ভোটাৰ তালিকাত নাথাকিলে কেনেধৰণৰ ব্যৱস্থা ল'ব লাগিব শিক্ষক আৰু অভিভাৱকৰ সহায়ত বুজি লৈ তেওঁৰ নাম তালিকাভুক্ত হোৱাটো নিশ্চিত কৰা।